# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 02-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে নতুনকৈ নিযুক্তিপ্ৰাপ্ত ৫ গৰাকী ন্যায়াধীশৰ আজি শপতবাক্য পাঠ কৰোৱায়।

২। চি বি এছ ইৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উত্তৰ বহীৰ স্কেনড কপি পুনৰ মূল্যায়ণৰ বাবে আজি লাইভ প'ৰ্টেল মুকলি কৰা হৈছে।

৩। দেশত এতিয়ালৈকে কোনো লোকৰ দেহত ইব'লা ভাইৰাছৰ সংক্ৰমণ চিনাক্ত হোৱা নাই বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতে ৭৩ হাজাৰ ৮৯০ কোটি টকাতকৈও অধিক মূল্যৰ ১৯ লাখ মেট্ৰিকটনতকৈ অধিক সাগৰীয় খাদ্য ৰপ্তানি কৰিছে।

আৰু

৫। চলিত বৰ্ষৰ ফিফা বিশ্বকাপৰ খেলসমূহ জি এণ্টাৰটেইনমেণ্টৰ বিভিন্ন চেনেলত সম্প্ৰচাৰ কৰা হ'ব।

ooooooo

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে নতুনকৈ নিযুক্তিপ্ৰাপ্ত ৫ গৰাকী ন্যায়াধীশৰ আজি শপতবাক্য পাঠ কৰোৱায়। ন্যায়াধীশ শ্বিল নাগো, শ্ৰী চন্দ্ৰশেখৰ, সঞ্জীৱ সচদেৱ আৰু অৰুণ পল্লীৰ লগতে জ্যেষ্ঠ অধিবক্তা ভি মোহনে সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে অনুমোদন জনোৱা মতে কেন্দ্ৰীয় চৰকাৰে এই পাঁচোগৰাকী ন্যায়াধীশক সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে। যোৱা ২২ আৰু ২৭ মে'ত অনুষ্ঠিত এখন বৈঠকত কলেজিয়ামে এই পাঁচোগৰাকী ন্যায়াধীশ তথা জ্যেষ্ঠ অধিবক্তাক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিবলৈ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ আগবঢ়াইছে। চৰকাৰে সেই মৰ্মে তেওঁলোকক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয়, যে ৰাষ্ট্ৰপতিয়ে মুখ্য ন্যায়াধীশৰ পৰামৰ্শক্ৰমে পাঁচোগৰাকী ব্যক্তিক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নাম ঘোষণা কৰে। বৰ্তমান মুখ্য ন্যায়াধীশকে ধৰি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা ৩৮ লৈ বৃদ্ধি হৈছে। –

ooooooooo

চি বি এছ ইৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উত্তৰ বহীৰ স্কেনড কপি পুনৰ মূল্যায়ণৰ বাবে আজি লাইভ প'ৰ্টেল মুকলি কৰা হৈছে। অহা ৬ জুন পৰ্যন্ত এই প'ৰ্টেল মুকলি থাকিব বুলি চি বি এছ ইয়ে প্ৰকাশ কৰিছে। বোৰ্ডে এটা বিবৃতি যোগে কয়, যে উত্তৰ বহীৰ স্কেনড কপি লাভ কৰা শিক্ষাৰ্থীসকলেহে এই সুবিধা লাভ কৰিব। সুৰক্ষাজনিত কাৰণত আধাৰ প্ৰত্যায়িতকৰণ ব্যৱস্থাও এই সুবিধাত সংলগ্ন কৰা হৈছে। আধাৰ নম্বৰ নথকা শিক্ষাৰ্থীসকলে পিতৃ-মাতৃ, অভিভাৱক বা অন্য নিকতাত্মীয়ৰ আধাৰ নম্বৰ ব্যৱহাৰ কৰিব পাৰিব। চি বি এছ ইৰ সূত্ৰই প্ৰকাশ কৰা মতে প্ৰতিখন উত্তৰ বহী মূল্যায়ণৰ বাবদ ছাত্ৰ-ছাত্ৰীয়ে ১০০ টকাকৈ আৰু প্ৰতিটো প্ৰশ্নৰ মূল্যায়ণৰ বাবদ ২৫ টকাকৈ আদায় দিব লাগিব। এই মাছুল অনলাইন পদ্ধতি অৰ্থাৎ ইউ পি আই, ক্ৰেডিট কাৰ্ড, ডেভিড কাৰ্ড অথবা নেট বেংকিং ব্যৱস্থাৰে দিব পাৰিব। ইয়াৰ বাবে চি বি এছ ইয়ে মুকলি কৰা ভিডিঅ' চাই এই ব্যৱস্থা সম্পৰ্কে সবিশেষ অৱগত হ'বলৈ আহ্বান জনোৱা হৈছে।

উল্লেখযোগ্য যে, ব'ৰ্ড পৰীক্ষাৰ নম্বৰত অসন্তুষ্ট ছাত্ৰ-ছাত্ৰীক উত্তৰ বহী পুনৰ পৰীক্ষা কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে কৰ্তৃপক্ষই যোৱা ২৬ মে'ত অনলাইন প'ৰ্টেল লাইভ হ'ব বুলি ঘোষণা কৰিছিল যদিও কাৰিকৰী বিজুতীৰ বাবে ১ জুনলৈ এই সময় বৃদ্ধি কৰা হৈছিল। অৱশ্যে কালি অনলাইন প'ৰ্টেলটো মুকলি কৰিব পৰা নগ'ল।

০০০০০০০০০

দেশত এতিয়ালৈকে কোনো লোকৰ দেহত ইব'লা ভাইৰাছৰ সংক্ৰমণ চিনাক্ত হোৱা নাই বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে যোৱা ২১ দিনৰ ভিতৰত ইব'লা ভাইৰাছ সংক্ৰমিত কোনো ঠাই ভ্ৰমণ কৰা আৰু জৰ, মূৰৰ বিষ, মাংসপেশীৰ বিষ, ডায়েৰীয়া, ৰক্তক্ষৰণকে ধৰি সন্দেহজনক লক্ষণ থকা লোকক আচুতিয়াকৈ থকাৰ লগতে স্থানীয় স্বাস্থ্য বিভাগৰ সৈতে যোগাযোগ কৰিবলৈ পৰামৰ্শ দিছে। তদুপৰি এনে অসুবিধা দেখা পোৱামাত্ৰেই ১০৭৫ হেল্পলাইন নম্বৰলৈ ফোন কৰি পৰামৰ্শ গ্ৰহণ কৰিবলৈ কোৱা হৈছে। এই ৰোগৰ ক্ষেত্ৰত আগতীয়া চিনাক্তকৰণে বহু লোকৰ জীৱন ৰক্ষা কৰিব পাৰে বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতে ৭৩ হাজাৰ ৮৯০ কোটি টকাতকৈও অধিক মূল্যৰ ১৯ লাখ মেট্ৰিকটনতকৈ অধিক সাগৰীয় খাদ্য ৰপ্তানি কৰিছে। সাগৰীয় সামগ্ৰী ৰপ্তানি উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ পি জবাহৰে প্ৰকাশ কৰা অনুসৰি সাম্প্ৰতিক গোলকীয় প্ৰত্যাহ্বান সত্বেও ই পৰিমাণ আৰু মূল্য দুয়োটা ক্ষেত্ৰতে সাগৰীয় খাদ্যৰ ক্ষেত্ৰত ভাৰতৰ সৰ্বকালৰ শ্ৰেষ্ঠ ৰপ্তানি হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে এই সময়ছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীনে ভাৰতৰ পৰা সৰ্বাধিক সাগৰীয় খাদ্য আমদানি কৰিছে। ৰপ্তানি কৰা খাদ্যসমূহৰ ভিতৰত বৰফত সংৰক্ষণ কৰা মিছা মাছৰ পৰিমাণ সৰ্বাধিক বুলি তেওঁ জানিবলৈ দিয়ে। এই ৰপ্তানিৰ পৰিমাণ ৪৯ হাজাৰ কোটি টকাতকৈও অধিক বুলি শ্ৰী জবাহৰে উল্লেখ কৰে। তেওঁ কয়, যে ইয়াৰ পাছতে বৰফত সংৰক্ষণ কৰি ৰখা সাগৰীয় মাছ দ্বিতীয় সৰ্বাধিক ৰপ্তানিকৃত সাগৰীয় খাদ্যৰূপে পৰিগণিত হৈছে। এই ৰপ্তানিৰ পৰিমাণ পাঁচ হাজাৰ ৬৫৮ কোটি টকাতকৈও অধিক বুলি তেওঁ প্ৰকাশ কৰে।

০০০০

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে মধ্য প্ৰদেশৰ মুখ্য সচিবলৈ প্ৰসূতিৰ মৃত্যু সন্দৰ্ভত এখন জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে এটা বছৰৰ ভিতৰতে ৰাজ্যখনৰ সিদ্ধি জিলাৰ ৫৩ গৰাকী সন্তান সম্ভৱা মহিলা প্ৰসৱৰ পূৰ্বে আৰু পাছত মৃত্যুমুখত পৰে। এই সন্দৰ্ভত বিস্তৃত তথ্য বিচাৰি আয়োগে মুখ্য সচিবলৈ জাননী জাৰি কৰিছে।

০০০০

গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে আব্ৰজন আৰু বিদেশী নীতি ২০২৫ৰ অধীনত পঞ্জীয়নৰ সময়সীমা আৰু আবেদনৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন সাধন কৰি আব্ৰজন আৰু বিদেশী সংশোধনী নীতি ২০২৬ সন্দৰ্ভত জাননী জাৰি কৰিছে। এই অনুসৰি ভাৰতলৈ অহাৰ ১৮০ দিনৰ ভিতৰত পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। ইয়াৰ আগেয়ে ১৮০ দিনীয়া সময়সীমা শেষ হোৱাৰ পাছতো ১৪ দিনৰ ভিতৰত পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ সুবিধা দিয়া হৈছিল। সংশোধনী অনুসৰি জৰুৰী পৰিস্থিতিতহে কেৱল বিলম্ব হ'লেও পঞ্জীয়নৰ সুযোগ দিয়া হ'ব।

০০০০

দক্ষিণ কোৰিয়াৰ হানুৱাহ এৰ'স্পেচৰ প্ৰতিৰক্ষা সঁজুলি নিৰ্মাণ খণ্ডত হোৱা বিস্ফোৰণৰ বাবে প্ৰকল্পটোৱে আজি ইয়াৰ উৎপাদন কাৰ্য বন্ধ ৰাখিছে। এই বিস্ফোৰণত পাঁচজন লোক নিহত হোৱাৰ লগতে দুজন অন্য ব্যক্তি আহত হয়। আৰক্ষীয়ে এই দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ নিৰ্ণয় কৰিবৰ বাবে যুটীয়া অনুসন্ধানৰ পোষকতা কৰিছে। উল্লেখযোগ্য যে দক্ষিণ কোৰিয়াৰ এই প্ৰকল্পটোত প্ৰতিৰক্ষা সঁজুলি নিৰ্মিত হয় আৰু ই এটা গোপন প্ৰতিৰক্ষা কাৰখানা। এই প্ৰকল্পতেই বিভিন্ন অস্ত্ৰ-শস্ত্ৰকে ধৰি ৰকেট লাঞ্চাৰ আৰু ক্ষেপনাস্ত্ৰ প্ৰস্তুত কৰা হয়।

০০০০

বৈদেশিক পৰিক্ৰমা ড° এছ জয়শংকৰে আজি দক্ষিণ আফ্ৰিকাৰ উপ-ৰাষ্ট্ৰপতি প'ল মাছেটাইলক নতুন দিল্লীত সাক্ষাৎ কৰে। এটা বাৰ্তাত মন্ত্ৰী ড° জয়শংকৰে কয়, যে এই সাক্ষাৎকালত দুয়োগৰাকী নেতাই বাণিজ্য, বিনিয়োগ, লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, ডিজিটেল তথা আন্তঃগাঁথনি খণ্ড বিষয়ত আলোচনা কৰে। ড° জয়শংকৰে দুয়োখন দেশৰ বন্ধুত্বপূৰ্ণ অংশীদাৰিত্ব শক্তিশালী কৰাৰ বাবে দক্ষিণ আফ্ৰিকাৰ উপ-ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰশংসা কৰে। ড° জয়শংকৰে কয়, যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাই আন্তঃৰাষ্ট্ৰীয় মঞ্চত ঘনিষ্ঠভাৱে কাম কৰাৰ বাবে সন্মত হৈছে।

০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতিন নবিনে কালি নতুন দিল্লীত দলৰ জ্যেষ্ঠ বিষয়ববীয়া আৰু কৰ্মীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সাংসদ তথা দলৰ মুখপাত্ৰ ড০ সম্বিত পাত্ৰই নৰেন্দ্ৰ মোদী চৰকাৰৰ ১২ বছৰ জোৰা সেৱা, সাংগঠনিক সম্প্ৰসাৰন আৰু সমাজৰ বিভিন্ন শ্ৰেণীক সামৰি লোৱাৰ উদ্দেশ্যে দলৰ বিভিন্ন ভৱিষ্যৎ উদ্যমৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰত মোদী চৰকাৰে ১২ বছৰ সম্পূৰ্ণ কৰিছে আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ নেতৃত্বত প্ৰতিটো খণ্ডতে দেশৰ চকুত লগা উন্নয়ন জনসাধাৰণে প্ৰত্যক্ষ কৰিছে। সম্প্ৰতি দেশৰ ২২ খন ৰাজ্যত ভাৰতীয় জনতা পাৰ্টী আৰু এন ডি এ শাসনত আছে বুলি শ্ৰী পাত্ৰই উল্লেখ কৰে।

০০০০

চলিত বৰ্ষৰ ফিফা বিশ্বকাপৰ খেলসমূহ জি এণ্টাৰটেইনমেণ্টৰ বিভিন্ন চেনেলত সম্প্ৰচাৰ কৰা হ'ব। জি এণ্টাৰটেইনমেণ্টে ২০৩৪ চন পৰ্যন্ত ফিফাৰ সকলো অনুষ্ঠানৰ মিডিয়া চৰ্ত ক্ৰয় কৰিছে। সেই অনুসৰি বিশ্বকাপৰ খেলসমূহ ইউনাইটেড এইট স্পোৰ্টছ লিনিয়াৰ টিভিত সম্প্ৰচাৰ হ'ব। একেদৰে জি ফাইভত খেলসমূহৰ লাইভ ষ্ট্ৰীমিং কৰা হ'ব। আণ্ডাৰ ছেভেনটিন বিশ্বকাপৰ খেলসমূহ জিত সম্প্ৰচাৰ কৰা হ'ব। উল্লেখযোগ্য যে অহা ১১ জুনত চলিত বৰ্ষৰ ফুটবল বিশ্বকাপৰ খেলসমূহ আৰম্ভ হ'ব। খেলসমূহ আমেৰিকা, মেক্সিকো আৰু কানাডাত অনুষ্ঠিত হ'ব।

০০০০

ভাৰতে কালি জাপানত কাকামিগহৰাত চলি থকা ১৮ বছৰ অনুৰ্ধৰ পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ পুল এৰ নিজৰ তৃতীয়খন খেলত কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ হৈ অধিনায়ক কেটন কুছৱাহাই খেলখনৰ তিনি আৰু ৩৬ মিনিটত এটাকৈ গ'ল দিয়াৰ লগতে বৰীন্দৰ সিঙে পাঁচ আৰু শ্বাহৰুখ আলীয়ে ৫৪ মিনিটত আন দুটা গ'ল দিয়ে। কোৰিয়াৰ হৈ অধিনায়ক য়ুন জায়েহয়'কে ২১ মিনিটত একমাত্ৰ গ'লটো পৰিশোধ কৰে।

এই জয়ৰ সুবাদত ভাৰত সম্প্ৰতি ছয় পইণ্টেৰে পুল এত প্ৰথম স্থানত আছে। প্ৰতিটো পুলৰ পৰা শীৰ্ষ দল দুটা চেমিফাইনেললৈ অগ্ৰসৰ হ'ব। ভাৰত কাইলৈ পৰৱৰ্তী তথা পুল পৰ্যায়ত নিজৰ অন্তিম খেলখনত চীনা টাইপেইৰ মুখামুখি হ'ব।

০০০০

সমাপ্ত